জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯৬/২০২১

## শক্তি বিভাগৰ তিনিওটা কোম্পানীৰ কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# চাহ শ্ৰমিক আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ বিদ্যুৎ গ্ৰাহকে অনাদায় বিলত আৰোপিত ২০ শতাংশ ওপৰঞ্চি মাচুল নিদিয়াকৈয়ে বকেয়া বিদ্যুতৰ বিল ১০ টা কিস্তিত আদায় দিব পাৰিব

## সৌভাগ্য আঁচনিৰ অধীনত ৰাজ্যখনৰ ৪ লাখ ৮০ হাজাৰ ২৪৯ টা পৰিয়াললৈ নতুন বিদ্যুৎ সংযোগ প্ৰদান কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

# অতিশীঘ্ৰে এপিডিচিএলৰ ১৬০০ টা খালী পদ পূৰণৰ বাবে ইতিমধ্যে হৈ যোৱা পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব

**দিছপুৰ, ০১ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শক্তিমন্ত্ৰী বিমল বৰাৰ উপস্থিতিত গুৱাহাটীৰ বিজুলী ভৱনত আয়োজিত এক বৈঠকত অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এপিডিচিএল), অসম শক্তি উৎপাদন নিগম লিমিটেড (এপিজিচিএল) আৰু অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (এইজিচিএল)ৰ বিভিন্ন কাম-কাজৰ পৰ্যালোচনা কৰে। মুখ্য সচিব তথা শক্তিখণ্ডৰ এই তিনিওটা কোম্পানীৰ অধ্যক্ষ জিষ্ণু বৰুৱাই এই বৈঠকত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অংশগ্ৰহণ কৰি ৰাজ্যখনৰ শক্তিখণ্ডৰ সংস্কাৰৰ অৰ্থে বিগত দুমাহত লোৱা বিভিন্ন পদক্ষেপৰ ফলস্বৰূপে হোৱা অগ্ৰগতি সন্দৰ্ভত মুখ্যমন্ত্ৰীক অৱগত কৰে।

এই পৰ্যালোচনা বৈঠকৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত সম্প্ৰতি শক্তি বিভাগে উল্লেখনীয় সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ২০২০ চনৰ জুলাই মাহত সংগৃহীত ৰাজহৰ পৰিমাণ আছিল ৪৬৩.১২২ কোটি টকা। ইয়াৰ বিপৰীতে চলিত বৰ্ষৰ জুলাই মাহত ৭৩৫.১৬ কোটি টকা ৰাজহ সংগৃহীত হৈছে। বিভাগটোৰ বিষয়া তথা কৰ্মচাৰীসকলৰ নিষ্ঠাপূৰ্ণ সেৱাৰ বাবে এয়া সম্ভৱ হৈছে বুলি মন্তব্য কৰি তেওঁ কয় যে চাহ বাগিচাৰ শ্ৰমিক আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ বিদ্যুৎ গ্ৰাহকৰ অনাদায় বিল প্ৰদানৰ সুবিধাৰ্থে আজিৰ বৈঠকত এনে অনাদায় বিল আদায়ৰ সময়ত আদায় দিব লগা ২০ শতাংশ ওপৰঞ্চি মাচুল ৰেহাইৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেয়ে চাহ শ্ৰমিক আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ বিদ্যুৎ গ্ৰাহকে এই ২০ শতাংশ ওপৰঞ্চি মাচুল নিদিয়াকৈয়ে এতিয়া তেওঁলোকৰ বকেয়া বিদ্যুতৰ বিল ১০ টা কিস্তিত আদায় দিব পাৰিব। মুখ্যমন্ত্ৰীয়ে লগতে সদৰি কৰে যে সৌভাগ্য আঁচনিৰ অধীনত নতুন বিদ্যুৎ সংযোগৰ বাবে ৰাজ্যখনে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৭১৯

কোটি টকাৰ অনুমোদন লাভ কৰিছে। এই ধনৰাশিৰে ৰাজ্যখনৰ ৪ লাখ ৮০ হাজাৰ ২৪৯ টা পৰিয়াললৈ নতুন বিদ্যুৎ সংযোগ প্ৰাদন কৰিব পৰা যাব। তেওঁ লগতে কয় যে ৰাজ্যখনৰ ৪৮ হাজাৰ ৫৫৭ টা অংগনৱাড়ী কেন্দ্ৰ আৰু ১৩ হাজাৰ ৩২১ খন প্ৰাথমিক বিদ্যালয়ত বিদ্যুৎ সংযোগৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। চলিত বছৰৰ ডিচেম্বৰ মাহৰ ভিতৰতে এই বিদ্যুৎ সংযোগ কৰিব পৰা যাব বুলিও মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ সকলো চৰকাৰী কাৰ্যালয়ৰ বিদ্যুতৰ বিল প্ৰতিমাহৰ ১ তাৰিখেই এপিডিচিএলক আদায় দিয়াৰ বাবেও সিদ্ধান্ত লোৱা হৈছে। বিদ্যুতৰ সংবহন তথা বিতৰণত হোৱা ক্ষতি আৰু বিদ্যুৎ চুৰি আদি কাৰকসমূহৰ বাবে বিদ্যুৎ বিভাগে এতিয়াও প্ৰতিমাহে প্ৰায় ১০২ কোটি টকা লোকচান ভৰি আছে বুলি সদৰি কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই লোকচানৰ পৰিমাণ হ্ৰাস কৰাৰ বাবেও পদক্ষেপ লোৱা হ'ব। তেওঁ লগতে কয় যে এপিডিচিএলৰ ১৬০০ টা খালী পদ পূৰণৰ বাবে ইতিমধ্যে হৈ যোৱা পৰীক্ষাৰ ফলাফলো শীঘ্ৰে ঘোষণা কৰা হ'ব।

আজিৰ এই বৈঠকত শক্তি বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা, এপিডিচিএল, এপিজিচিএল আৰু এইজিচিএলৰ পৰিচালন সঞ্চালকত্ৰয়ৰ উপৰি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাযোগে শক্তি বিভাগৰ ৪৫ টা সংমণ্ডলৰ সহকাৰী মহাপ্ৰবন্ধক আৰু ১৯ টা বৈদ্যুতিক চাৰ্কুলৰ মুখ্য কাৰ্যবাহী বিষয়াসকলেও অংশগ্ৰহণ কৰে।

**নিঃকুঃদাঃ**
**০১/০৮/২০২১**